ৰ বাণী

...হু মানুহৰ
...খিছোঁ। যি
...য় কৰিছিল।
...উইনষ্টন চাৰ্চিল

# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78...
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.co...

**স্বাস্থ্য**

তেঁতেলীত যথেষ্ট পৰিমাণৰ ভিটামি... চি আৰু আইৰন থাকে। যি গৰ্ভৱতী... বাবে উপকাৰী। কিন্তু অন্তঃসত্ত্বা মহিলাসকলে কেৱল সীমিত পৰিমাণেহে তেঁতেলী খাব লাগে।

...সংখ্যা ৩৪৯ ■ ৯ পুহ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ২৫ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, December 25, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্ক...



### গৰুধৰীয়াত ৰাইজৰ উৎসৱৰ অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া

# শিক্ষা কেৱল ডিগ্ৰী লোৱাৰ মাধ্যম নহয়

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৪ ডিচেম্বৰ ঃ** শিক্ষাৰ উদ্দেশ্য কেৱল প্ৰমাণ পত্ৰ বা ডিগ্ৰী লোৱাৰ এক মাধ্যম নহয়, ই হ'ল সমাজৰ পৰা আন্ধাৰ আঁতৰোৱাৰ এক অন্যতম পোহৰ। এই পোহৰে সমাজক আগুৱাই নিয়ে আৰু জ্ঞান, বিজ্ঞান, প্ৰজ্ঞা, নতুনত্বৰ সৃষ্টি কৰি সমাজক পৰিৱৰ্তন কৰে। সমাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়িছে, কিন্তু জ্ঞানী, প্ৰজ্ঞাৱান লোকৰ সংখ্যা বঢ়া নাই। গৰুধৰীয়া বাৰেঘৰীয়াত অনুষ্ঠিত 'ৰাইজৰ উৎসৱ'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, স্নেহবন্ধনৰ সাধাৰণ সম্পাদক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। গৰুধৰীয়া মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত ২৩ ডিচেম্বৰত অনুষ্ঠিত ৰাইজৰ উৎসৱত অধ্যক্ষগৰাকীয়ে কয়— ই কেৱল মেলা বা উৎসৱ নহয়, ই হ'ল এটা সপোনৰ আৰম্ভণি, ই হ'ল শিক্ষাক ৰাইজৰ কাষলৈ লৈ যোৱাৰ এক গণমুখি আন্দোলন, শিক্ষাৰ আন্দোলন, সামাজিক জাগৰণ। তেওঁ কয় যে পৃথিৱীৰ বিভিন্ন দেশত এনে কাৰ্যসূচীৰ যোগেদি নাগৰিকক শিক্ষাৰ প্ৰতি সচেতন কৰি তোলা হয়। তেওঁ কয় শিক্ষা কেৱল পাঠ্যপুথিৰ মাজতে আবদ্ধ নাথাকে, শিক্ষা বিদ্যালয়ৰ চাৰিসীমাৰ বাহিৰতো প্ৰবাহিত হৈ থাকে। আনন্দ চন্দ্ৰ বৰপাত্ৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত তেওঁ কয়— শিক্ষা হ'ল সংস্কৃতি আৰু বিজ্ঞানৰ সমষ্টি। উদ্ভাৱনীমূলক শিক্ষা কেনেকৈ সৃষ্টি হয় সেয়া তেওঁ পৃথিৱীৰ জাৰ্মান, জাপান, আমেৰিকা আদি দেশৰ উদাহৰণ দি সবিষ্টাৰে ব্যাখ্যা আগবঢ়ায়। তেওঁ বিখ্যাত দাৰ্শনিক কনফুছিয়াচৰ বিখ্যাত উক্তি ব্যাখ্যা কৰি কয়— যদি এবছৰৰ কাৰণে পৰিকল্পনা কৰা হয় তেন্তে খেতি কৰাৰ প্ৰয়োজন, যদি দহ বছৰৰ কাৰণে পৰিকল্পনা কৰা তেন্তে বৃক্ষ ৰোৱা প্ৰয়োজন আৰু যদি গোটেই জীৱনৰ বাবে পৰিকল্পনা কৰা হয় তেন্তে মানুহক শিক্ষিত কৰা প্ৰয়োজন। জীৱনত শিক্ষা আহৰণ কৰি কেতিয়াও শেষ কৰিব নোৱাৰি বুলি উল্লেখ কৰি তেওঁ কয় যে জাৰ্মানত আজীৱন শিক্ষাৰ এক ধাৰণা সৃষ্টি কৰি মানুহক শিক্ষা দিয়াৰ এটা পৰম্পৰা চলি আহিছে। এষ্টাৰ ৰাণী থিনচিনে উদ্বোধন কৰা সভাত উপস্থিত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলক উদ্দেশ্যি তেওঁ কয়— যেতিয়ালৈকে মানুহৰ মনৰ মাজত কৌতুহল সৃষ্টি নহয়, প্ৰশ্নৰ উদয় নহয়,



যেতিয়ালৈকে অন্তনিৰ্হিত শিক্ষাই পূৰ্ণতা নাপায়; তেতিয়ালৈকে মানুহ সভ্য আৰু জ্ঞানী হ'ব নোৱাৰে। তেওঁ নিজে শিক্ষিত হোৱা মানেই সমাজখন শিক্ষিত হোৱা নুবুজাই বুলি উল্লেখ কৰি কয়— প্ৰত্যেকজন শিক্ষিত ব্যক্তিয়ে জ্ঞানৰ পোহৰ ওচৰ চুবুৰীয়াৰ মাজলৈ, ৰাইজৰ মাজলৈ লৈ গ'লেহে 'ৰাইজৰ উৎসৱ' অনুষ্ঠিত কৰাৰ সাৰ্থক হ'ব। শিক্ষা আহৰণৰ বাবে সকলোকে বিনোয়োগ কৰিবলৈও তেওঁ আহ্বান জনায়। উল্লেখ্য যে মৃদুল পাত্ৰই আঁত ধৰা আৰু ভাস্কৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা একেটা অনুষ্ঠানতে এখন হাতেলিখা আলোচনী উন্মোচন কৰে বৰবৰুৱা শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি স্মিতা বৰবৰাই। সভাখনিত প্ৰেমনাথ দলে, ৰুমী কোঁৱৰ, প্ৰফুল্ল পাত্ৰ, পৰমানন্দ কামানকে ধৰি ভালেসংখ্যক গন্য-মান্য ব্যক্তি, অভিভাৱক-অভিভাৱিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## দৃষ্টিভংগী

□ জিতব্ৰত চেতিয়া



ডিব্ৰুগড়ৰ ভৌগোলিক পৰিৱেশ, ব্ৰহ্মপুত্ৰৰ প্ৰাকৃতিক শোভাই মোক আকৃষ্ট কৰে। ইয়াৰ মনোৰম দৃশ্যই ডিব্ৰুগড়ক জীৱন্ত কৰি ৰাখিছে। শৈক্ষিক পৰিৱেশো লেখত ল'বলগীয়া। শিক্ষাৰ্থীয়ে কোনো অসুবিধা নোপোৱাকৈ জ্ঞান আহৰণ কৰিব পাৰে এইখন চহৰতে। শেহতীয়াকৈ চৰকাৰে উন্নয়নৰ দিশটোত প্ৰাধান্য দি ৰাস্তা-পদূলি, অভাৱ্ৰীজ নিৰ্মাণ কৰি যাতায়াত ব্যৱস্থাটো সুস্থিৰ কৰি তুলিছে। কিন্তু বাৰিষা কালত দেখা যায় যে চহৰখনত কৃত্ৰিম বানে উৎকণ্ঠিত কৰি তুলিছে প্ৰায়বিলাক লোকক। ইয়াৰ মাজতে আমি জীয়াই থাকিব লাগিব। তথাপি চৰকাৰে

## ...সোণালী জয়ন্তী সমাৰোহৰ প্ৰস্তুতি